# Telephone conversation between PM and Prime Minister of Canada

April 29, 2020

---

## কানাডা আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 29, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি কানাডাৰ প্ৰধানমন্ত্ৰী মহামান্য জাষ্টিন ট্ৰোডিউৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ সন্দৰ্ভত সাম্প্ৰতিক বৈশ্বিক পৰিস্থিতিৰ কথা আলোচনা কৰে। তেওঁলোকে বৈশ্বিক ঐকতা আৰু সমন্বয়ৰ গুৰুত্ব, যোগান শৃংখলা বজাই ৰখা আৰু সহযোগিতামূলক গৱেষণা কাৰ্যৰ সন্দৰ্ভত সহমত পোষণ কৰে।

কানাডাত থকা ভাৰতীয় নাগৰিকসকল বিশেষকৈ ভাৰতীয় শিক্ষাৰ্থীসকলকৈ আগবঢোৱা সহায়-সহযোগিতাৰ বাবে প্ৰধানমন্ত্ৰীয়ে কানাডাৰ প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী ট্ৰোডিউয়েও কানাডাৰ নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবে ভাৰত চৰকাৰক প্ৰশংসা কৰ।

প্ৰধানমন্ত্ৰীয়ে আশ্বাস দিয়ো যে ফাৰ্মাচিউটিকেল খণ্ডত ভাৰতৰ উত্পাদনশীল ক্ষমতা কানডাৰ লগতে বিশ্বৰ সকলো নাগৰিকৰ সহায়ৰ বাবে যথাসম্ভৱ সদায় উপলব্ধ হৈ থাকিব।

ভাৰত আৰু কানাডাৰ যৌথ উদ্যোগত এই মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত বিশেষকৈ ক'ভিড-19ৰ সৈতে মোকাবিলা কৰাৰ কাৰণে এটি প্ৰতিষেধক তৈয়াৰ কৰা বা ভেষজ চিকিত্সাৰ মাধ্যমে সমাধানৰ লক্ষ্যৰে গৱেষণা আৰু প্ৰযুক্তিগত ক্ষেত্ৰত সমন্বয়ৰ মাধ্যমে ফলপ্ৰসূ বৰঙণি আগবঢ়াব পাৰিব বুলি দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

**নতুন দিল্লী এপ্ৰিল**
**এপ্ৰিল 28, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.